জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৫৫/২০২২

# বঙাইগাওঁ জিলাত ৬৯৩.২৯ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## আন্দোলন বিৰৰ্জিত পৰিৱেশত উন্নয়নমূলক কাম-কাজৰ জৰিয়তেহে নৰনাৰায়ণ-চিলাৰায়ৰ সপোনৰ অসমখন নিৰ্মাণ কৰিব পৰা যাব ঃ মুখ্যমন্ত্ৰী

## সমগ্ৰ অসমলৈ নতুন দিনৰ সুৰুয কঢ়িয়াই আনিবলৈ চেষ্টা কৰিছো ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ ডিচেম্বৰ ঃ** অসমৰ উন্নয়নৰ যাত্ৰা এক সংগঠিত ৰূপত আগবঢ়াই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা 'বিকাশৰ বাবে এটা পযেক' কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বঙাইগাঁও জিলাত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে অহা ১৯ ডিচেম্বৰলৈ চলিবলগীয়া এই পযেকত ৰাজ্যখনৰ ১১ খন জিলা সামৰি সৰ্বমুঠ ১৫ হাজাৰ কোটি টকাৰ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে শুভ উদ্বোধন কৰা হ'ব।

বিকাশৰ বাবে এটা পযেক কাৰ্যসূচীৰ অধীনত আজি বঙাইগাঁও জিলাৰ উত্তৰ বঙাইগাঁও ষ্টেডিয়াম খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ২০০ খন বিছনাযুক্ত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে বৰ্তমানৰ ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়কে ধৰি মাজগাঁও পইণ্ট-১ আৰু বৰ্ষাপাৰা গাঁৱত ১৫১ বিঘা ৩ কথা ৪ লেচা ভূমি এলেকাত এই চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখন নিৰ্মাণ কৰা হ'ব। ৩৬ মাহৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'বলগীয়া এই প্ৰকল্পটোৰ বাবে ৬১,০৬৭.৪১ লাখ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আনহাতে মুখ্যমন্ত্ৰীয়ে বঙাইগাঁও জিলাৰ বঙাইগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত জেলেকাঝাৰ গাঁৱত বঙাইগাঁও জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ভূমি মহলাকে ধৰি মুঠ ৭ মহলীয়া এই সংহত উপায়ুক্তৰ কাৰ্যালয়টো ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। এই প্ৰকল্পটোৰ বাবদ ব্যয় হ'ব ৪৯৭৮.৭৮ লাখ টকা।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ এই অনুষ্ঠানতে বঙাইগাঁৱৰ বিসৰ্জন ঘাটত মহাৰাজ নৰনাৰায়ণৰ এটি প্ৰতিমূৰ্তিও স্থাপনৰ লগতে জনসাধাৰণক এক স্বাস্থ্যসন্মত পৰিৱেশত খোজ কঢ়াৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে ৰাকিং জ'ন নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। ৬২৫.৬৭ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে এই প্ৰকল্পৰ ৬৬৮ মিটাৰ দৈৰ্ঘ্যৰ এটি ৰাকিং জ'নকে ধৰি ১৮ মিটাৰ দৈৰ্ঘ্যৰ এখন ষ্টীলৰ দলং, এটা মিউজিকেল ফাউণ্টেণ্ট

স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে বঙাইগাঁও পলিটেকনিক আৰু বঙাইগাঁও ঔদ্যোগিক প্ৰতিষ্ঠানৰ 'ৱৰ্কশ্বপ' তথা কাৰিকৰী গৱেষণাগাৰৰো আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পত ৩৭৪ লাখ টকা ব্যয় কৰা হ'ব। উল্লেখ্য যে অসম চৰকাৰে ৰাজ্যৰ ৩৪ খন পলিটেকনিক আৰু ৪৩ খন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰাৰ বাবে টাটা টেকন'লজিছ লিমিটেডৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছিল। ২৩৯০.৮০ কোটি টকাৰ এই প্ৰকল্পৰ অংশ হিচাপে ৰাজ্য চৰকাৰে প্ৰযুক্তি লেব আৰু কৰ্মশালা স্থাপনৰ বাবে প্ৰতিখন প্ৰতিষ্ঠানত ১২ হাজাৰ বৰ্গফুটৰ 'বিল্টআপ এৰিয়া' প্ৰদান কৰিব। য'ত প্ৰতিবছৰে প্ৰায় ২০ হাজাৰ ছাত্ৰ-ছাত্ৰীক ঔদ্যোগিক ক্ষেত্ৰখনত জড়িত হ'ব পৰাকৈ দক্ষ কৰি তোলা হ'ব। মুঠ প্ৰকল্প ব্যয়ৰ ৩৬৬.০৬ কোটি টকা অসম চৰকাৰে বহন কৰিব। মুখ্যমন্ত্ৰীয়ে বঙাইগাঁৱৰ প্ৰস্তাৱিত আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত নতুন কনফাৰেন্স হল তথা কনভেনশ্যন চেণ্টাৰ নিৰ্মাণৰ বাবেও আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ বাবে ১৭৯৪.১২ লাখ টকা ব্যয় কৰা হ'ব।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ৪৩৯.৫৬ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়খন শুভ উদ্বোধন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত নিৰ্মাণ কৰা এই আদৰ্শ চিকিৎসালয়খনে সৃজনগ্ৰামৰ এক বৃহৎ সংখ্যক লোকলৈ সেৱা আগবঢ়াব। এই চিকিৎসালয়খন নিৰ্মাণৰ লগে লগে বৰহোল্লা অঞ্চলৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধান হ'ব।

মুখ্যমন্ত্ৰীয়ে আজি অভয়াপুৰীৰ লালমাটিস্থিত শ্ৰীশ্ৰী গণেশ মন্দিৰৰ ভোগগৃহটোও শুভ উদ্বোধন কৰে। ২০১৯-২০ বৰ্ষৰ অনিৰ্দ্ধাৰিত পুঁজিৰ অধীনত ৫০ লাখ টকা ব্যয় সাপেক্ষে এই ভোগগৃহ নিৰ্মাণ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে বঙাইগাঁও জিলা ভ্ৰমণ কালত নয়াগাঁও আঞ্চলিক পাগলাস্থানত নৱনিৰ্মিত শ্ৰীশ্ৰী শিৱ মন্দিৰটোও শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে সন্তৰ সৃজনগ্ৰামস্থিত শ্ৰীশ্ৰী ৰঘুনাথ বিগ্ৰহ মন্দিৰ (সত্ৰ) দৰ্শন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী ৰঘুনাথ বিগ্ৰহ মন্দিৰ (সত্ৰ) চৌহদত সৌৰশক্তি চালিত লাইট স্থাপন, এটা নাটঘৰ আৰু এটা অতিথিশালা নিৰ্মাণ কৰা হ'ব বুলিও ঘোষণা কৰে।

আজি বঙাইগাঁও জিলা ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে বৰপেটা জিলা আৰু অভয়াপুৰী সংযোগী আই নৈৰ ওপৰৰ দলংখন পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে আই নৈয়ে গতিপথ সলনি কৰাৰ বাবে দলংখনৰ নিৰ্মাণ কাৰ্য স্তব্ধ কৰিবলগীয়া হৈছিল। এই দলংখনৰ লগতে যাবতীয় আনুষংগিক নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে নিজা পুঁজিৰ পৰা ২৯ কোটি টকাৰ অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰি কয় যে আগন্তুক কিছু দিনৰ ভিতৰতে এই নিৰ্মাণকাৰ্য আৰম্ভ কৰা হ'ব।

উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বঙাইগাঁও জিলাত আধাৰশিলা আৰু শুভ উদ্বোধন কৰা প্ৰকল্পসমূহৰ মুঠ ব্যয় হৈছে ৬৯৩.২৯ কোটি টকা। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পৰ আধাৰশিলা আৰু শুভ উদ্বোধন উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি আজিৰ দিনটো বঙাইগাঁও জিলাৰ বাবে এক গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰে। তেওঁ কয় যে বঙাইগাঁৱত কেবিনেট বৈঠক অনুষ্ঠিত হোৱাৰ সময়তে ৰাজ্য চৰকাৰে জিলাখনৰ উন্নয়নৰ বাবে এটা নতুন ৰূপৰেখা জনসাধাৰণৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। সেই ৰূপৰেখা অনুকৰণ কৰিয়েই আজি কেইবাটাও আঁচনিৰে জিলাখনক সমৃদ্ধ কৰাৰ প্ৰয়াস কৰা হৈছে।

আজিৰে পৰা বঙাইগাঁৱত উন্নয়নৰ এক নৱজাগৰণ আৰম্ভ হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰে জিলাখনৰ উন্নয়নৰ বাবে কেইবাটাও পৰিকল্পনা গ্ৰহণ কৰিব। তেওঁ কয় যে বিকাশৰ দিশত দূৰন্ত গতিত আগুৱাই যোৱাই হৈছে ৰাজ্য চৰকাৰৰ লক্ষ্য। ড° শৰ্মাই মন্তব্য কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনলৈ অহাৰ দুই বছৰ নৌহওতেই নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ এটা এটাকৈ ৰূপায়ণৰ দিশত আগবাঢ়িছে। মাইক্ৰফাইনেন্সৰ ঋণ ৰেহাইৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায় সমাপ্ত হোৱাৰ পিছত তৃতীয় পৰ্যায়ত সকলোলৈকে ঋণমুক্তৰ প্ৰমাণপত্ৰ দিয়া হ'ব বুলিও তেওঁ সদৰি কৰে। ড° শৰ্মাই কয় যে কয় যে বৰ্তমানলৈকে ৭০ হাজাৰ পদত নিযুক্তি প্ৰক্ৰিয়া হয় সম্পূৰ্ণ হৈছে নতুবা নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া চলি আছে। ১ লাখ পদত নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণৰ পিছতে অহা বছৰৰ পৰা ৰাজ্য চৰকাৰে যুৱক-যুৱতীসকলৰ স্বাৱলম্বিতাৰ বাবে ৫ হাজাৰ কোটি টকাৰ এখন বৃহৎ আঁচনিৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে সমগ্ৰ অসমলৈ নতুন দিনৰ সুৰুয কঢ়িয়াই আনিবলৈ চেষ্টা কৰিছে। তেওঁ মন্তব্য কৰে যে আন্দোলন বিৱৰ্জিত পৰিৱেশত উন্নয়নৰ এটা নতুন পৰিৱেশলৈ ৰাজ্য চৰকাৰে গতি কৰি কৰিব পাৰিব বুলি তেওঁ বিশ্বাস কৰে। তেওঁ লগতে কয় যে ধৰ্মীয় উন্মাদনা আৰু সাম্প্ৰদায়িক ৰাজনীতি পৰিহাৰ কৰি বিকাশৰ ৰাজনীতিৰ জৰিয়তেহে অসমলৈ পৰিৱৰ্তন আহিব পাৰে। তেওঁ লগতে মন্তব্য কৰে যে আন্দোলন বিবৰ্জিত পৰিৱেশত উন্নয়নমূলক কাম-কাজৰ জৰিয়তেহে নৰনাৰায়ণ-চিলাৰায়ৰ সপোনৰ অসমখন নিৰ্মাণ কৰিব পৰা যাব। তেওঁ লগতে সদৰি কৰে যে বঙাইগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ কাম চলি আছে। অহা ১২ ডিচেম্বৰৰ পৰা অৰুণোদয় আঁচনিত নতুন হিতাধিকাৰী অন্তৰ্ভুক্তকৰণৰ কাম আৰম্ভ হ'ব। তেওঁ লগতে কয় যে বঙাইগাঁও জিলাত ২০ ৰ পৰা ২২ হাজাৰ গৰাকী নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা বছৰৰ ১ এপ্ৰিলৰ পৰা বিধৱা পেঞ্চনপ্ৰাপ্ত মহিলাসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰিব ৰাজ্য চৰকাৰে। দৰিদ্ৰ পৰিয়াললৈ ৰেচন কাৰ্ড প্ৰদানৰ কাম চৰকাৰে আৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ ২৪ হাজাৰ নতুন পৰিয়ালে ৰেচন কাৰ্ড লাভ কৰিব।

চিলাৰায় উৰণ সেতুৰ তলত নতুনকৈ মুকলি কৰা স্থানত এখন থীম পাৰ্ক স্থাপনৰ বাবে প্ৰস্তাৱ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই থীম পাৰ্কখনত লেণ্ডস্কেপিং, এম্ফিথিয়েটাৰৰ সৈতে স্থাপত্য শিল্প আৰু অসমৰ বিভিন্ন সংস্কৃতিক চিত্ৰিত কৰা প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। তিনিটা পৰ্যায়ত ৰূপায়ণ কৰিব লগা এই পাৰ্কখন ৰাজ্য চৰকাৰে অনিৰ্দ্ধাৰিত পুঁজিৰে নিৰ্মাণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰ আৰু ৰাইজে মিলি ভাঙিবলগীয়া হোৱা যোগীঘোপাৰ কাবাইটাৰীস্থিত মাদ্ৰাছাখনো পৰিদৰ্শন কৰি অঞ্চলটোৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে। মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজে অনুমতি প্ৰদান কৰিলে ৰাজ্য চৰকাৰে সেই স্থানত এখন আদৰ্শ শিক্ষানুষ্ঠান স্থাপন কৰিব। অঞ্চলটোৰ পৰা উপযুক্ত মানৱ সম্পদ সৃষ্টিত সহায়ক হোৱাকৈ এই শিক্ষানুষ্ঠানখন প্ৰাথমিক পৰ্যায়ৰ পৰা দ্বাদশ শ্ৰেণীলৈকে শিক্ষাদানৰ ব্যৱস্থা থাকিব।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পঞ্চায়ত আৰু

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়কসকল ক্ৰমে ফণীভূষণ চৌধুৰী, আব্দুল বাতেন খণ্ডকাৰ, প্ৰদীপ সৰকাৰ, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গকুল বৰ্মন, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, বঙাইগাঁও জিলা পৰিষদৰ অধ্যক্ষ বিজয় সিনহাকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰীয়ে যোৱা ১১ নৱেম্বৰত পৰলোকপ্ৰাপ্তি হোৱা প্ৰাক্তন বিধায়ক ৰবীন বনিক্যৰ গৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**০৫/১২/২০২২**